অসম আদিত্য

৩ ভাদ, ১৯৪৫ শক ■ সোমবাৰ, ২১ আগষ্ট, ২০২৩ ■ Asom Aditya, Dibrugarh, Monday, August 21, 2023 ■ Price Rs 7 ■

# কানৈত শংকৰদেৱ সংঘৰ শিক্ষক দিৱসৰ আয়োজন

ডিব্ৰুগড়, ২০ আগষ্ট ঃ ভাৰতৰ প্ৰথম উপ-ৰাষ্ট্ৰপতি আৰু দেশৰ দ্বিতীয়জন ৰাষ্ট্ৰপতি ড০ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনটো শ্ৰীমন্ত শংকৰদেৱ সংঘ ডিব্ৰুগড় আঞ্চলিক সাহিত্য শাখাৰ উদ্যোগত শংকৰী সংগীত চৰ্চা কেন্দ্ৰ, ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ মনোবিজ্ঞান আৰু শিক্ষাতত্ত্ব বিভাগৰ সহযোগত শিক্ষক দিৱসৰ লগত সংগতি ৰাখি ডিব্ৰুগড় আঞ্চলিক শাখাৰ অন্তৰ্গত কৰ্মৰত আৰু অৱসৰপ্ৰাপ্ত শিক্ষকসকলক সন্মান জনোৱাৰ উদ্দেশ্যে কানৈ মহাবিদ্যালয়ৰ শংকৰদেৱ প্ৰেক্ষাগৃহত এক সম্বৰ্ধনা অনুষ্ঠান আয়োজন কৰা হৈছে। ডিব্ৰুগড় আঞ্চলিক সাহিত্য শাখাৰ সভাপতি আইজনী বড়াৰ পৌৰোহিত্যত অনুষ্ঠিত হ'বলগা সভাখন উদ্বোধন কৰিব কানৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা ডিব্ৰুগড় আঞ্চলিক শাখাৰ সভাপতি নৰেন্দ্ৰ মহেলাই। সভাত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, কৰ্মসূৰ্য, বিশিষ্ট কবি, সাহিত্যিক, শিক্ষাবিদ, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি ড০ শশীকান্ত শইকীয়া, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা বিভাগৰ সহযোগী অধ্যাপক মৃণাল কুমাৰ বৰুৱা, অসম আদিত্যৰ কাৰ্যবাহী সম্পাদক মনজিৎ বৰা, জিলা সদস্য দিপক গগৈ, ত্ৰৈলোক্য সোনোৱাল, ৰমেশ কোঁৱৰ, অৰ্চনা বৰা, ডিব্ৰুগড় আঞ্চলিক শাখাৰ সম্পাদক গকুল চন্দ্ৰ দত্তই উপস্থিত থকাৰ সন্মতি প্ৰকাশ কৰিছে। বিয়লি ১ বজাৰ পৰা অনুষ্ঠিত হ'বলগা সম্বৰ্ধনা অনুষ্ঠান আৰম্ভ হোৱাৰ ২০ মিনিটৰ আগতে সকলোকে সভাকক্ষত আসন গ্ৰহণ কৰিবৰ বাবে অনুৰোধ জনাইছে সাহিত্য শাখাৰ সম্পাদক প্ৰশান্ত শইকীয়াই।